**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-06-2025 **Time :** 1800Hrs.

**<u>Assamese Evening Bulletin</u>**

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰা হৈছে। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়'।

বিশ্বনাথত আজি আন্তৰ্জাতিক ড্ৰাগছ আৰু অবৈধ সৰবৰাহবিৰোধী দিৱস উপলক্ষে জিলা আৰক্ষীয়ে পূৰ্বে জব্দ কৰা ২ কোটি ৮০ লাখ মূল্যৰ নিচাযুক্ত সামগ্ৰী দাহ কৰে। ডিব্ৰুগড়তো আজি এই দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱসৰ লগতে চকু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত তথা অসম ৰাজ্যিক নিচামুক্ত মাদকদ্ৰব্য নিবাৰণী পৰিষদ আৰু মাজুলী জিলা আৰক্ষী প্ৰশাসনৰ সহযোগত আজি জেংৰাইমুখ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস পালন কৰা হয়। শোণিতপুৰ জিলা প্ৰশাসনে সমাজ কল্যাণ বিভাগৰ সহযোগত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন মাদকদ্ৰব্য বিৰোধী সজাগতা সভাৰ আয়োজন কৰে।

০০০০০০

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা আৰু আন তিনিগৰাকী মহাকাশচাৰীক কঢ়িয়াই নিয়া AXIOM-4 মহাকাশ যানখনে ২৮ ঘণ্টীয়া মহাকাশ ভ্ৰমণৰ অন্তত আজি বিয়লি চাৰে ৪ বজাত আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানত উপস্থিত হয়। ইয়াৰ লগে লগে ৪১ বছৰৰ পাছত ভাৰতৰ দ্বিতীয়জন মহাকাশচাৰী মহাকাশত উপস্থিত হৈ ইতিহাস সৃষ্টি কৰিলে। ১৯৮৪ চনত ৰাকেশ শৰ্মাৰ পাছতে লক্ষ্ণৌত জন্মগ্ৰহণ কৰা শুভাংশু শুক্লা ৰাকেশ শৰ্মাৰ পাছত মহাকাশলৈ যোৱা দ্বিতীয়গৰাকী ভাৰতীয় হিচাপে পৰিগণিত হৈছে। এই অভিযানত গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ সৈতে আমেৰিকা, পোলেণ্ড আৰু হাঙ্গেৰীৰ একোজনকৈ মহাকাশচাৰী। এই চাৰিগৰাকী মহাকাশচাৰীয়ে মহাকাশ আস্থানত ১৪ দিন অতিবাহিত কৰি ৬০টাকৈ বৈজ্ঞানিক পৰীক্ষা সম্পন্ন কৰিব। মহাকাশ আস্থানৰ পৰা শুভাংশু শুক্লাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্তালাপো কৰিব। ইপিনে স্পেচএক্সৰ ড্ৰেগন মহাকাশযানেৰে আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানৰ দিশে যাত্ৰা কৰাৰ সময়তে শুভাংশু শুক্লাই পৃথিৱীলৈ তেওঁৰ প্ৰথমটো বাৰ্তা প্ৰেৰণ কৰিছে।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জাতিংগা আৰু লামপুৰৰ মাজৰ ভূমিস্খলন হোৱা ৰে'লপথৰ পৰা শিল-বালিৰ আৱৰ্জনা আঁতৰোৱাৰ কাম যুদ্ধকালীন ক্ষিপ্ৰতাৰে চলি আছে। ভূমিস্খলন হোৱা অঞ্চল ভ্ৰমণ কৰি অহা আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাসে জনোৱা মতে বৰ্তমান ১৫ খন এছকেভেটৰ আৰু ২০০ ৰো অধিক শ্ৰমিকে ৰে'লপথছোৱা ৰে'ল চলাচলৰ উপযোগী কৰি তোলাৰ বাবে দিনে-নিশাই কাম কৰি আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে আজি ভূমিস্খলন হোৱা অঞ্চলটো পৰিদৰ্শন কৰি

মেৰামতি কাৰ্যৰ বুজ লয়। তেওঁ কয়, যে বতৰ অনুকুল হ’লে অহা সোমবাৰৰ ভিতৰত এই পথেৰে আংশিকভাৱে ৰে’ল চলাচল পুনৰ আৰম্ভ কৰিব পৰা যাব।

০০০০০০০

শিৱসাগৰৰ ভটিয়াপাৰত তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ তৈলখাদৰ গেছ নিৰ্গমন ক্ৰমাৎ হ্ৰাস পাইছে বুলি অ’ এন জি চি কৰ্তৃপক্ষই প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। আন্তঃৰাষ্ট্ৰীয় কূপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ অধীনত অব্যাহত থকা অভিযানে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলিও প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। দলটোৱে ষ্টেয়াৰ কেচ, জটিল তাঁৰ আৰু অন্যান্য গাঁথনিগত উপাদানকে ধৰি ৰীগৰ বাকী থকা সকলো সামগ্ৰী সফলতাৰে আঁতৰাইছে। এই গুৰুত্বপূৰ্ণ পদক্ষেপত ৰীগৰ উপ-গাঁথনিটো নিৰাপদে আঁতৰোৱা আৰু টানি অনাৰ ফলত ৱেলহেডলৈ প্ৰৱেশ প্ৰশস্ত হৈছে। ইয়াৰ ফলত চূড়ান্ত কূপ নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংশ হিচাপে অনাগত অভিযানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰৱৰ্তী পৰ্যায়ত সাৱধানতাৰে ব্লু আউট প্ৰিভেণ্টাৰ আঁতৰোৱা হ’ব বুলি প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে। ইয়াৰ পাছত ৱেল কেপিং কৌশলৰ অংশ হিচাপে এটা বিকল্প গোট স্থাপন কৰা হ’ব বুলিও বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০০০

শক্তি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে আজি ধেমাজি জিলাত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা মন্ত্ৰী শ্ৰীফুকনে জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত সভাত বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। বৈঠকখনত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাকে ধৰি অতিৰিক্ত জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জোনাই সমষ্টিৰ আয়ুক্ত উপস্থিত থাকে। ইপিনে, মন্ত্ৰী শ্ৰী ফুকনে আজি ধেমাজিৰ ১ নম্বৰ টেকজুৰিত বিদ্যুৎ বিভাগৰ এটা ট্ৰেন্সফৰ্মাৰ উদ্বোধন কৰে।

০০০০০০০

হোজাই জিলাৰ লংকাৰ ১ নম্বৰ ৱাৰ্ডত নগৰীয়া পানী যোগান আঁচনিৰ পানী সেৱন কৰি ২৮টা পৰিয়ালৰ লোক অসুস্থ হৈ পৰিছে। জানিব পৰা মতে নগৰীয়া পানী যোগান আঁচনিৰ নলা ফাটি দূষিত পানী মিশ্ৰণ হোৱা বহু লোক বমি আৰু ডায়েৰিয়া ৰোগত আক্ৰান্ত হৈছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে বিষয়টো সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে সজাগতা সভা অনুষ্ঠিত কৰিছে। নগৰীয়া পানী যোগান আঁচনি বন্ধ কৰি দিয়া হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। ১ নম্বৰ ৱাৰ্ডৰ বাসিন্দাসকলৰ বাবে ২৪ ঘণ্টাই পানী দিয়াৰ ব্যৱস্থা কৰাৰ লগতে দুখন এম্বুলেন্স আৰু ট’ল ফ্ৰী নম্বৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**